**01-01-2025** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল – তোমালোক হৈছা জ্ঞান বৰষি সেউজবুলীয়া কৰি তোলোঁতা, তোমালোকে ধাৰণা কৰিব লাগে আৰু কৰাব লাগে"**

প্ৰশ্ন: যি ডাৱৰে বৰষুণ নিদিয়ে, তাৰ কি নাম দিয়া হ'ব?

উত্তৰ: সেয়া হৈছে নিষ্কৰ্মা ডাৱৰ। কৰ্মঠ সেয়া যিয়ে বৃষ্টিপাত কৰে। যদি ধাৰণা হয় তেন্তে বৃষ্টিপাত নকৰাকৈ থাকিব নোৱাৰে। যিয়ে ধাৰণা কৰি অন্যক ধাৰণা নকৰায় তেওঁলোকৰ পেট আৰু পিঠি একাকাৰ হৈ যায়, তেওঁলোক গৰিব। প্ৰজাৰ শাৰীত গুচি যায়।

প্ৰশ্ন: স্মৃতিৰ যাত্ৰাত মুখ্য পৰিশ্ৰম কোনটো?

উত্তৰ: নিজক আত্মা বুলি বুজি পিতাক বিন্দু ৰূপত স্মৰণ কৰা, পিতা যি হয় যেনেকুৱা হয় তেওঁক সেইটো স্বৰূপত যথাৰ্থভাৱে স্মৰণ কৰা, ইয়াতেই পৰিশ্ৰম কৰিবলগীয়া হয়।

গীত: জ' পিয়া কে চাথ হে.... (যি প্ৰিয়াৰ লগত আছে....)

ওঁম্ শান্তি। যেনেকৈ সাগৰৰ ওপৰত ডাৱৰ আছে গতিকে ডাৱৰৰ পিতা হ'ল সাগৰ। যি ডাৱৰ সাগৰৰ লগত থাকে তাৰ কাৰণেই বৰষুণ। সেই ডাৱৰেও পানীৰে ভৰপূৰ হৈ আকৌ বৰষে। তোমালোকো সাগৰৰ ওচৰলৈ আহা ভৰপূৰ হ'বৰ বাবে। সাগৰৰ সন্তানসকল ডাৱৰতো হোৱাই, সেয়েহে মিঠা পানী শোষণ কৰি লোৱা। এতিয়া ডাৱৰো বহুত প্ৰকাৰৰ হয়। কিছুমানে খুব জোৰেৰে বৃষ্টিপাত কৰে, বানপানীৰ সৃষ্টি কৰি দিয়ে, কিছুমানে কমকৈ বৃষ্টিপাত কৰে। তোমালোকৰ মাজতো এনেকুৱা ক্ৰমানুসৰি আছে যিয়ে খুব জোৰেৰে বৃষ্টিপাত কৰে, তেওঁলোকৰ নামো গায়ন কৰা হয়। যেনেকৈ বেছিকৈ বৃষ্টিপাত হ'লে মনুষ্য আনন্দিত হয় এয়াও তেনেকুৱাই। যিয়ে ভালকৈ বৃষ্টিপাত কৰে, তেওঁলোকৰ মহিমা হয়, যিয়ে বৃষ্টিপাত নকৰে তেওঁলোকৰ অন্তৰ যেন নিষ্কৰ্মা হৈ যায়, পেট নভৰে। পূৰা ৰীতিৰে ধাৰণা নোহোৱাৰ কাৰণে পেট আৰু পিঠি একাকাৰ হৈ যায়। দুৰ্ভিক্ষ হ'লে মনুষ্যৰ পেট আৰু পিঠি একাকাৰ হৈ যায়। ইয়াতো ধাৰণা কৰি ধাৰণা নকৰালে পেট আৰু পিঠি একাকাৰ হৈ যায়। অত্যাধিক বৃষ্টিপাত কৰাসকল গৈ ৰজা-ৰাণী হ'বগৈ আৰু তেওঁলোক গৰিব। গৰিবৰ পেট আৰু পিঠি একাকাৰ হৈ থাকে। সেয়েহে সন্তানসকলে ধাৰণা বহুত ভালকৈ কৰিব লাগে। ইয়াতো আত্মা আৰু পৰমাত্মাৰ জ্ঞান কিমান সহজ। তোমালোকে এতিয়া বুজিছা - আমাৰ আত্মা আৰু পৰমাত্মা দুয়োৰে জ্ঞান নাছিল। গতিকে পেট আৰু পিঠি একাকাৰ হৈ গ'ল নহয়। মুখ্য হৈছে আত্মা আৰু পৰমাত্মাৰ কথা। মনুষ্যই আত্মাৰ বিষয়েই নাজানে তেন্তে পৰমাত্মাৰ বিষয়ে আকৌ কেনেকৈ জানিব পাৰিব। কিমান ডাঙৰ বিদ্বান, পণ্ডিত আদি আছে, কোনেও আত্মাৰ বিষয়ে নাজানে। এতিয়া তোমালোকে গম পাইছা যে আত্মা অবিনাশী, আত্মাত 84 জন্মৰ অবিনাশী ভূমিকা নিহিত হৈ আছে, যি চলি থাকে। আত্মা অবিনাশী তেন্তে ভূমিকাও অবিনাশী। আত্মাই কেনেকৈ আদিৰ পৰা অন্তলৈকে ভূমিকা পালন কৰে - এয়া কোনেও নাজানে। তেওঁলোকেতো আত্মাই পৰমাত্মা বুলি কৈ দিয়ে। তোমালোক সন্তানসকলৰ আদিৰ পৰা অন্তলৈকে সম্পূৰ্ণ জ্ঞান আছে। তেওঁলোকেতো ড্ৰামাৰ আয়ুসেই লাখ লাখ বছৰ বুলি কৈ দিয়ে। এতিয়া তোমালোকে গোটেই জ্ঞান পাইছা। তোমালোকে জানা এই পিতাৰ দ্বাৰা ৰচিত জ্ঞান যজ্ঞত এই গোটেই জগতখন স্বাহা হৈ যাব সেইকাৰণে পিতাই কয় - শৰীৰ সহিত যি আছে এই সকলোবোৰ পাহৰি যোৱা, নিজক আত্মা বুলি বুজা। পিতা আৰু শান্তিধামক, মৰমৰ ঘৰক স্মৰণ কৰা। এইখনতো হয়েই দুখধাম। তোমালোকৰ মাজতো পুৰুষাৰ্থৰ ক্ৰম অনুসৰি বুজাব পাৰা। এতিয়া তোমালোকতো জ্ঞানেৰে ভৰপূৰ হৈছা। বাকী স্মৃতিত থকাৰ ক্ষেত্ৰতে গোটেই পৰিশ্ৰম কৰিবলগীয়া হয়। জন্ম-জন্মান্তৰৰ দেহ-অভিমান সমাপ্ত কৰি আত্মা-অভিমানী হ'বলৈ বহুত পৰিশ্ৰম কৰিবলগীয়া হয়। ক'বলৈতো বহুত সহজ কিন্তু নিজক আত্মা বুলি বুজা আৰু পিতাক বিন্দু ৰূপত স্মৰণ কৰা, এই ক্ষেত্ৰত পৰিশ্ৰম কৰিবলগীয়া হয়। পিতাই কয় - মই যি হওঁ, যেনেকুৱা হওঁ, তেনেকৈয়ে কোনোবাই কাচিৎহে স্মৰণ কৰিব পাৰে। যেনেকুৱা পিতা সন্তানো তেনেকুৱাই নহয় জানো। নিজক জানিলে পিতাকো জানি যাব। তোমালোকে জানা পঢ়াওঁতা পিতাতো এজনেই, পঢ়োঁতা বহুত। পিতাই ৰাজধানী কেনেকৈ স্থাপনা কৰে, সেয়া তোমালোক সন্তানসকলেহে জানা। বাকী এই শাস্ত্ৰ আদি সকলো ভক্তিমাৰ্গৰ সামগ্ৰী। বুজাবৰ কাৰণে আমি ক'বলগীয়া হয়। বাকী ইয়াত ঘৃণাৰ কোনো কথা নাই। শাস্ত্ৰতো ব্ৰহ্মাৰ দিন আৰু ৰাতিৰ কথা কয় কিন্তু বুজি নাপায়। ৰাতি আৰু দিন আধা আধা হয়। ছিৰিৰ ওপৰত কিমান সহজকৈ বুজোৱা হয়।

মনুষ্যই ভাবে যে ভগৱানতো বহুত শক্তিশালী তেওঁ যি ইচ্ছা কৰে তাকে কৰিব পাৰে। কিন্তু বাবাই কয় - ময়ো ড্ৰামাৰ বান্ধোনত বান্ধ খাই আছোঁ। ভাৰতৰ ওপৰতো কিমান বিপদ আহি থাকে তথাপিও মই বাৰে বাৰে আহোঁ জানো? মোৰ

ভূমিকাৰো সীমাবদ্ধতা আছে। যেতিয়া পূৰা দুখ হয় তেতিয়া মই নিজৰ সময়ত আহোঁ। এক চেকেণ্ডৰো হীনডেঢ়ি নহয়। ড্ৰামাত প্ৰত্যেকৰে সঠিক ভূমিকা নিহিত হৈ আছে। এয়া হৈছে সৰ্বোচ্চ পিতাৰ পুনৰ অৱতৰণ। কম শক্তিশালীসকল পাছত ক্ৰমানুসৰি আহে। তোমালোক সন্তানসকলে এতিয়া পিতাৰ পৰা জ্ঞান পাইছা যাৰ দ্বাৰা তোমালোক বিশ্বৰ মালিক হোৱাগৈ। তোমালোকে পূৰ্ণ ৰূপত শক্তি পোৱা। পুৰুষাৰ্থ কৰি তোমালোক তমোপ্ৰধানৰ পৰা সতোপ্ৰধান হোৱা। বেলেগৰতো ভূমিকাই নাই। মুখ্য হৈছে ড্ৰামা, যাৰ জ্ঞান তোমালোকে এতিয়া পাইছা। বাকী সকলোবোৰ হৈছে পাৰ্থীৱ কিয়নো সেই সকলো এই দুচকুৰে দেখা যায়। বিশ্বৰ আশ্চৰ্য হৈছে বাবা, যিয়ে আকৌ ৰচেও স্বৰ্গ, যাক ‘হেভেন’, ‘পেৰাডাইজ’ বুলি কয়। তেওঁৰ কিমান মহিমা আছে, পিতা আৰু পিতাৰ ৰচনাৰ বহুত মহিমা আছে। উচ্চতকৈও উচ্চ হৈছে ভগৱান। উচ্চতকৈও উচ্চ স্বৰ্গৰ স্থাপনা পিতাই কেনেকৈ কৰে, এয়া কোনেও একো নাজানে। তোমালোক মৰমৰ সন্তানসকলেও পুৰুষাৰ্থৰ ক্ৰম অনুসৰি জানা আৰু সেই অনুসৰিয়ে পদ পোৱা, যিয়ে পুৰুষাৰ্থ কৰিছে তেওঁ ড্ৰামা অনুসৰিহে কৰিছে। পুৰুষাৰ্থ অবিহনেতো একো পাব নোৱাৰি। কৰ্ম অবিহনে এক চেকেণ্ডো থাকিব নোৱাৰে। সেই হঠযোগীসকলে প্ৰাণায়াম কৰে, যেন জড় হৈ যায়, ভিতৰত পৰি থাকে, ওপৰত মাটি জমা হৈ যায়, মাটিৰ ওপৰত পানী পৰাৰ কাৰণে ঘাঁহবন গজি যায়। কিন্তু ইয়াৰ পৰা একো লাভ নহয়। কিমান দিনলৈ এনেকৈ বহি থাকিব? কৰ্মতো নিশ্চয় কৰিব লাগে। কৰ্ম সন্ন্যাসী কোনো হ’ব নোৱাৰে। অৱশ্যে হয়, কেৱল খাদ্য আদি নাৰান্ধে সেইকাৰণে তেওঁলোকক কৰ্ম-সন্ন্যাসী বুলি কৈ দিয়ে। এয়াও তেওঁলোকৰ ড্ৰামাত ভূমিকা আছে। এই নিবৃত্তি মাৰ্গৰসকল নথকাহেঁতেন ভাৰতৰ কি অৱস্থা হ’লহেঁতেন? ভাৰত এক নম্বৰ পৱিত্ৰ আছিল। পিতাই সৰ্বপ্ৰথমে পৱিত্ৰতা স্থাপনা কৰে, যিটো আধাকল্প ধৰি চলে। যথাযথ সংগমযুগত এক ধৰ্ম, এক ৰাজ্য আছিল। এতিয়া দৈৱী ৰাজ্য পুনৰ স্থাপনা হৈ আছে। এনেকৈ ভাল ভাল শ্লোগান তৈয়াৰ কৰি মনুষ্যক সজাগ কৰিব লাগে। পুনৰ দৈৱী ৰাজ্য-ভাগ্য আহি লওঁক। এতিয়া তোমালোকে কিমান ভালদৰে বুজি পোৱা। শ্ৰীকৃষ্ণক শ্যাম-সুন্দৰ বুলি কিয় কয় - এয়াও এতিয়া তোমালোকে জানা। আজিকালিতো বহুতেই এনেকুৱা নাম ৰাখি দিয়ে। শ্ৰীকৃষ্ণৰ লগত প্ৰতিযোগিতা কৰে। তোমালোক সন্তানসকলে জানা যে পতিত ৰজাসকলে কেনেকৈ পাৱন ৰজাসকলৰ আগত গৈ মূৰ দোৱায় কিন্তু জানে জানো। তোমালোক সন্তানসকলে জানা যিসকল পূজ্য আছিল তেওঁলোকেই আকৌ পূজাৰী হৈ যায়। এতিয়া তোমালোকৰ বুদ্ধিত গোটেই চক্ৰ আছে। এয়াও স্মৃতিত থাকিলে অৱস্থা বহুত ভাল হৈ থাকিব। কিন্তু মায়াই স্মৃতিতথাকিব নিদিয়ে, পাহৰাই দিয়ে। সদায় হৰ্ষিতমুখ অৱস্থাত থাকিলে তোমালোকক দেৱতা বুলি কোৱা হ’ব। লক্ষ্মী-নাৰয়ণৰ চিত্ৰ দেখি কিমান আনন্দিত হয়। ৰাধা-কৃষ্ণ অথবা ৰাম আদিক দেখি ইমান আনন্দিত নহয় কিয়নো শ্ৰীকৃষ্ণৰ কাৰণে শাস্ত্ৰত গণ্ডগোলীয়া কথা লিখি দিছে। এই বাবা শ্ৰীনাৰায়ণ হয়গৈ। বাবাতো এই লক্ষ্মী-নাৰায়ণৰ চিত্ৰ দেখি আনন্দিত হয়। সন্তানসকলেও এনেকৈ বুজিব লাগে, বাকী অলপ সময় এই পুৰণা শৰীৰত থাকিম তাৰ পাছত গৈ ৰাজকুমাৰ হ’মগৈ। এয়া লক্ষ্য-উদ্দেশ্য নহয় জানো। এয়াও কেৱল তোমালোকেহে জানা। আনন্দত কিমান গদগদ হ’ব লাগে। যিমান পঢ়িবা সিমান উচ্চ পদ পাবা, নপঢ়িলে কি পদ পাবা? ক’ত বিশ্বৰ মহাৰজা-মহাৰাণী, ক’ত ধনৱানসকল, প্ৰজাৰ ভিতৰত চাকৰ-নাকৰ। বিষয়তো একেটাই। কেৱল মনমনাভৱ, মধ্যাজী ভৱ, ‘অল্ফ’ আৰু ‘বে’, স্মৃতি আৰু জ্ঞান। এওঁ কিমান আনন্দিত হ’ল - আল্লাক পালে, বাকী সকলো দি দিলে। কিমান ডাঙৰ লটাৰি পাই গ’ল। বাকী কি লাগে! তেন্তে সন্তানসকল কিয়নো ভিতৰি আনন্দিত হ’ব নালাগে, সেইকাৰণে বাবাই কয় এনেকুৱা ‘ট্ৰান্সলাইট’ৰ চিত্ৰ সকলোৰে কাৰণে তৈয়াৰ কৰা যাতে সন্তানসকলে দেখি আনন্দিত হয়। শিৱবাবাই ব্ৰহ্মাৰ দ্বাৰা আমাক এই উত্তৰাধিকাৰ দি আছে। মনুষ্যইতো একো নাজানে। একেবাৰে তুচ্ছ বুদ্ধিৰ। এতিয়া তোমালোক তুচ্ছ বুদ্ধিৰ পৰা স্বচ্ছ বুদ্ধিৰ হৈ আছা। সকলো জানি গ’লা, আৰু একো পঢ়াৰ প্ৰয়োজন নাই। এই পঢ়াৰ দ্বাৰা তোমালোকে বিশ্বৰ বাদশ্বাহী পোৱা, সেইকাৰণে পিতাক জ্ঞনৱান বুলি কোৱা হয়। মনুষ্যই আকৌ ভাবে প্ৰত্যেকৰে অন্তৰৰ কথা জানে, কিন্তু পিতাইতো জ্ঞান দিয়ে। শিক্ষকে বুজিব পাৰে অমুকে পঢ়ে, বাকী গোটেই দিন বহি পৰ্যবেক্ষণ কৰি থাকিব জানো যে এওঁৰ বুদ্ধিত কি চলি আছে। এয়াতো অপূৰ্ব জ্ঞান। পিতাক জ্ঞানৰ সাগৰ, সুখ, শান্তিৰ সাগৰ বুলি কোৱা হয়। তোমালোকো এতিয়া মাষ্টৰ জ্ঞান সাগৰ হৈছা। পাছত এই উপাধি নাথাকিব। পাছত সৰ্বগুণ সম্পন্ন, 16 কলা সম্পূৰ্ণ হ’বাগৈ। এয়া হৈছে মনুষ্যৰ উচ্চ পদমৰ্যাদা। এই সময়ত এয়া হৈছে ঈশ্বৰীয় পদমৰ্যাদা। কিমান বুজিব আৰু বুজাবলগীয়া কথা। লক্ষ্মী-নাৰায়ণৰ চিত্ৰ দেখি বহুত আনন্দিত হ’ব লাগে। আমি এতিয়া বিশ্বৰ মালিক হ’মগৈ। জ্ঞানৰ দ্বাৰাই সকলো গুণ আহে। নিজৰ লক্ষ্য-উদ্দেশ্যক দেখিলেহে সজীৱতা আহে, সেইকাৰণে বাবাই কয় - এই লক্ষ্মী-নাৰায়ণৰ চিত্ৰতো প্ৰত্যেকৰে লগত থাকিব লাগে। এই চিত্ৰই অন্তৰত মৰম বঢ়ায়। অন্তৰত উদয় হয় - বচ, এয়া এই মৃত্যুলোকত অন্তিম জন্ম। আকৌ আমি অমৰলোকত গৈ এয়া হ’মগৈ, ততত্বম (তোমালোকৰ ক্ষেত্ৰতো একে কথা)। এনেকুৱা নহয় যে আত্মাই পৰমাত্মা। নহয়, এই জ্ঞান গোটেই বুদ্ধিত থাকিব লাগে। যেতিয়া কাৰোবাক বুজোৱা, তেতিয়া ক’বা আমি কেতিয়াও কাৰো পৰা ভীক্ষা নোখোজো। প্ৰজাপিতা ব্ৰহ্মাৰ বহুত সন্তান আছে। আমি নিজৰেই তন-মন-ধনেৰে সেৱা কৰোঁ। ব্ৰাহ্মণে নিজৰ উপাৰ্জনৰ দ্বাৰাই যজ্ঞ চলাই আছে। শূদ্ৰৰ পইচা লগাব নোৱাৰে। বহুত সন্তান আছে তেওঁলোকে জানে যিমান আমি তন-মন-ধনেৰে সেৱা কৰিম,

সমৰ্পিত হ'ম সিমানে পদ পাম। জানে যে বাবাই বীজ ৰোপণ কৰিছে সেইবাবে লক্ষ্মী-নাৰায়ণ হয়গৈ। পইচা ইয়াত কামতলো নাহে, তেন্তে কিয়নো এই কাৰ্যত লগাই নিদিওঁ। সমৰ্পিত হোৱাসকল ভোকত মৰে জানো? বহুত পৰিচৰ্যা হৈ থাকে। বাবাৰ কিমান পৰিচৰ্যা হৈ থাকে। এওঁতো শিৱবাবাৰ ৰথ হয় নহয়। গোটেই বিশ্বক স্বৰ্গ কৰি তোলোঁতা হয়। এওঁ সুন্দৰ পথিক।

পৰমপিতা পৰমাত্মা আহি সকলোকে সুন্দৰ কৰি তোলে, তোমালোক শ্যামবৰণীয়াৰ (পতিতৰ) পৰা বগাবৰণীয়া (পৱিত্ৰ) হৈ নোযোৱা জানো। কিমান সুন্দৰ প্ৰেমিক, আহি সকলোকে সুন্দৰ কৰি তোলে। তেওঁৰ প্ৰতি উৎসৰ্গিত হৈ যোৱা উচিত। স্মৰণ কৰি থাকিব লাগে। যেনেকৈ আত্মাক দেখা পাব নোৱাৰি, জানিব পাৰি, তেনেকৈ পৰমাত্মাকো জানিব পাৰি। দেখিবলৈতো আত্মা-পৰমাত্মা দুয়ো একেই বিন্দু। বাকীতো সকলো হৈছে জ্ঞান। এয়া অতিকৈ বুজিবলগীয়া কথা। সন্তানসকলে বুদ্ধিত এই কথাবোৰ টুকি ৰাখিব লাগে। বুদ্ধিত পুৰুষাৰ্থৰ ক্ৰম অনুসৰি ধাৰণ হয়। চিকিৎসকৰ ঔষধৰ কথা স্মৃতিত নাথাকে জানো। এনেকুৱা নহয় যে সেই সময়ত বহি কিতাপ চাব। চিকিৎসা শাস্ত্ৰৰো সাৰ কথা থাকে, আইন শাস্ত্ৰৰো সাৰ কথা থাকে। তোমালোকৰো সাৰ কথা আছে, বিষয় আছে, যাৰ ওপৰত বুজোৱা হয়। কোনোবাটো সাৰ কথাই কাৰোবাৰ উপকাৰ কৰি দিয়ে, কাৰোবাৰ কোনোবাটো সাৰ কথাৰ দ্বাৰা শৰ লাগি যায়। সাৰকথাতো অনেক আছে। যিয়ে ভালদৰে ধাৰণ কৰিব তেওঁ ভালকৈ সেৱা কৰিব পাৰিব। আধাকল্পৰ পৰা মহাৰোগী হৈ আছে। আত্মা পতিত হৈ গৈছে, আত্মাৰ কাৰণে এজন অবিনাশী ছাৰ্জনে ঔষধ দিয়ে। তেওঁ সদায় ছাৰ্জনেই হৈ থাকে, কেতিয়াও বেমাৰ নহয়। বাকী সকলোৰে বেমাৰ হৈ যায়। অবিনাশী ছাৰ্জন এবাৰেই আহি 'মনমনাভৱ'ৰ বেজি দিয়ে। কিমান সহজ, চিত্ৰ সদায় পকেটত ৰাখি থ'বা। বাবা নাৰায়ণৰ পূজাৰী আছিল সেয়েহে লক্ষ্মীৰ চিত্ৰ আঁতৰাই কেৱল নাৰায়ণৰ চিত্ৰ ৰাখিছিল। এতিয়া গম পালোঁ যে মই যাক পূজা কৰিছিলোঁ, এতিয়া সেয়া হৈ আছোঁ। লক্ষ্মীক বিদায় দি দিলে সেয়েহে এইটো নিশ্চিত যে, মই লক্ষ্মী নহ'মগৈ। লক্ষ্মীয়ে বহি ভৰি মালিচ কৰে, এইটো ভাল লগা নাছিল। তেওঁক দেখি পুৰুষসকলে স্ত্ৰীৰ দ্বাৰা ভৰি মালিচ কৰায়। তাত জানো লক্ষ্মীয়ে এনেকৈ ভৰি মালিচ কৰিব। এনেকুৱা নীতি-নিয়ম তাত নাথাকে। এইটো নিয়ম ৰাৱণৰাজ্যৰ। এই চিত্ৰত গোটেই জ্ঞান আছে। ওপৰত ত্ৰিমূৰ্তিও আছে, এই জ্ঞান গোটেই দিন স্মৰণ কৰি বহুত অভিভূত হোৱা যায়। ভাৰত এতিয়া স্বৰ্গ হৈ আছে। কিমান ভাল বুজনি, ক'ব নোৱাৰো, মনুষ্যৰ বুদ্ধিত কিয় ধাৰণ নহয়? জুই বহুত জোৰেৰে লাগিব, এই খেৰৰ জুমুঠিৰ দৰে সৃষ্টিখনত জুই লাগিব। ৰাৱণৰাজ্যতো নিশ্চয় নাশ হোৱা উচিত। যজ্ঞতো পৱিত্ৰ ব্ৰাহ্মণৰ প্ৰয়োজন। গোটেই বিশ্বক পৱিত্ৰ কৰি তুলিবলৈ এয়া হৈছে অতি শ্ৰেষ্ঠ যজ্ঞ। সেই ব্ৰাহ্মণসকলে যদিও ব্ৰহ্মাৰ সন্তান বুলি কয়, কিন্তু তেওঁলোকতো কোষ বংশাৱলী। ব্ৰহ্মাৰ সন্তানসকলতো পৱিত্ৰ মুখ বংশাৱলী আছিল নহয়। গতিকে তেওঁলোকক এয়া বুজোৱা উচিত। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) স্বচ্ছ বুদ্ধিৰ হৈ অপূৰ্ব জ্ঞান ধাৰণ কৰি পিতাৰ সমান মাষ্টৰ জ্ঞান সাগৰ হ'ব লাগে। জ্ঞানৰ দ্বাৰা সকলো গুণ নিজৰ মাজত ধাৰণ কৰিব লাগে।

(2) যেনেকৈ বাবাই তন-মন-ধন সেৱাত লগালে, সমৰ্পিত হৈ তেনেকৈ পিতাৰ দৰে নিজৰ সকলো ঈশ্বৰীয় সেৱাত সফল কৰিব লাগে। সদায় সজীৱ হৈ থাকিবৰ কাৰণে লক্ষ্য-উদ্দেশ্যৰ চিত্ৰ লগত ৰাখিব লাগে।

বৰদান: একৰস স্থিতিৰে সদায় একমাত্ৰ পিতাক অনুসৰণ কৰোঁতা প্ৰসন্নচিত হোৱা

তোমালোক সন্তানসকলৰ বাবে পিতা ব্ৰহ্মাৰ জীৱন সঠিক কম্পিউটাৰ। যেনেকৈ আজিকালি কম্পিউটাৰৰ দ্বাৰা প্ৰতিটো প্ৰশ্নৰ উত্তৰ সোধে। তেনেকৈ মনত যেতিয়াই কোনো প্ৰশ্ন উদয় হয় তেতিয়া 'কি',' কিয়', 'কেনেকৈ'ৰ পৰিৱৰ্তে পিতা ব্ৰহ্মাৰ জীৱন ৰূপী কম্পিউটাৰেৰে চোৱা। 'কি' আৰু 'কেনেকৈ'ৰ প্ৰশ্ন 'এনেকৈ' লৈ পৰিৱৰ্তন হৈ যাব। প্ৰশ্নচিতৰ সলনি প্ৰসন্নচিত হৈ যাব। প্ৰসন্নচিত অৰ্থাৎ একৰস স্থিতিত এক পিতাক অনুসৰণ কৰোঁতা।

স্লোগান: আত্মিক শক্তিৰ আধাৰত সদায় স্বাস্থ্যৱান হৈ থকাৰ অনুভৱ কৰা।

!! ওঁম্ শান্তি !!

বিশেষ সূচনা:- সকলো ব্ৰহ্মাৰ সন্তানে 1 জানুৱাৰীৰ পৰা 31 জানুৱাৰী 2025লৈকে বিশেষ অন্তমুৰ্খতাৰ গুহাত বহি যোগ তপস্যা কৰি গোটেই বিশ্বক নিজৰ শক্তিশালী মনৰ দ্বাৰা বিশেষ শক্তিৰ প্ৰকম্পন দিয়াৰ সেৱা কৰে যেন। এই লক্ষ্যৰে এই মাহৰ পত্ৰপুষ্পত যি অব্যক্ত ইংগিত পঠিওৱা হৈছে, সেয়া গোটেই জানুৱাৰী মাহৰ মুৰুলীৰ তলতো লিখি দিয়া হৈছে। আপোনালোক সকলোৱে এই কথাবোৰৰ ওপৰত বিশেষ মনন চিন্তন কৰি মনৰ সেৱাৰ অনুভৱী হওঁক।

শক্তিশালী মনেৰে শক্তিৰ প্ৰকম্পন দিয়াৰ সেৱা কৰিবলৈ আজিৰ অব্যক্ত সংকেত**:**

আপোনালোক শান্তিৰ দূত সন্তান, য'তেই নাথাকা, চলোঁতে-ফুৰোঁতে সদায় নিজক শান্তিৰ দূত বুলি বুজি চলক। যি স্বয়ং শান্ত স্বৰূপ, শক্তিশালী স্বৰূপ স্থিতিত থাকিব তেওঁ আনকো শান্তি আৰু শক্তিৰ প্ৰকম্পন দি থাকিব।